নং ঃ ৩৩৬/২০২১

# ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পদ্মধৰ চলিহা আৰু প্ৰাক্তন অধ্যক্ষ পৰাগ চলিহাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰ তৰফৰ পৰা ৫ কোটি টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা

## সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা তথা প্ৰশাসনিক সেৱাৰ পৰীক্ষাত সাফল্য অৰ্জনৰ বাবে উপযুক্ত আঁচনি আৰু পৰিকল্পনা গ্ৰহণৰ পোষকতা মুখ্যমন্ত্ৰীৰ

## অনাগত ৭৫ টা বছৰৰ বাবে শিৱসাগৰ কলেজে নতুনত্বক আকোঁৱালি লৈ ন-ৰূপেৰে লক্ষ্যস্থিৰ কৰি আগুৱাই যাব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে নিট, জে ই ইৰ দৰে সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা তথা ইউ পি এছ চি আৰু এ পি এছ চিৰ দৰে প্ৰশাসনিক সেৱাৰ পৰীক্ষাত সাফল্য অৰ্জন কৰিব পাৰে তাৰ বাবে উপযুক্ত আঁচনি গ্ৰহণ কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে ৰাষ্ট্ৰীয় স্তৰৰ ক'চিং চেণ্টাৰৰ সৈতে চুক্তিবদ্ধ হ'বলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনায়। এই দিশত প্ৰয়োজন সাপেক্ষে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে সৰ্বভাৰতীয়

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

পৰীক্ষাত ৰাজ্যখনৰ শিক্ষাৰ্থীসকলৰ ব্যৰ্থতাৰ কাৰণসমূহ আমি বিচাৰি উলিয়াব লাগিব। শিক্ষাদানৰ পদ্ধতি আৰু ত্ৰুটিসমূহ বস্তুনিষ্ঠ বিশ্লেষণ কৰি সেয়া শুধৰণিৰে প্ৰয়োজনীয় পদক্ষেপ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

উল্লেখ্য যে আজিৰ এই মহাৰজত জয়ন্তী সমাৰোহৰ উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সংগীতজ্ঞ, সু-অভিনেতা, স্বাধীনতা সংগ্ৰামৰ দুৰন্ত সৈনিক পদ্মধৰ চলিহাৰ আৱক্ষ প্ৰতিমূৰ্তিৰ লগতে শিক্ষানুষ্ঠানখনৰ এগৰাকী অন্যতম খনিকৰ তথা প্ৰাক্তন অধ্যক্ষ, স্বাধীনতা সংগ্ৰামী, শিক্ষাবিদ, সংগীতজ্ঞ পৰাগ চলিহাৰ আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পদ্মধৰ চলিহা আৰু পৰাগ চলিহাৰ দৰে দূৰদৰ্শী বিদ্বানৰ সপোনৰ ফচল এই শিক্ষানুষ্ঠানখনে বিগত ৭৫ টা বছৰে অজস্ৰ মানৱ সম্পদ গঢ় দি সমাজখনক বৌদ্ধিকভাৱে সমৃদ্ধ কৰি আহিছে। জ্ঞান আৰু প্ৰজ্ঞাৰ নিৰন্তৰ অন্বেষণেই যি জাতিৰ মূল উপজীব্য সেই জাতিয়ে কেতিয়াও কালৰ বুকুত লীন নাযায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শিৱসাগৰ কলেজৰ মহাৰজত জয়ন্তীৰ এই বিশেষ ক্ষণত অনাগত ৭৫ টা বছৰৰ বাবে শিক্ষানুষ্ঠানখনে নতুনত্বক আকোঁৱালি লৈ ন-ৰূপেৰে লক্ষ্যস্থিৰ কৰি আগুৱাই যাব লাগিব বুলিও কয়।

আত্মনিৰ্ভৰ ভাৰত গঢ় দিয়াটো ভাৰতৰ নতুন শিক্ষা নীতিৰ মূল লক্ষ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই নীতিৰ সম্যক দিশসমূহ ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহত বহুলভাৱে আলোচিত হোৱাৰো পোষকতা কৰে। মুখ্যমন্ত্ৰীয়ে ঐতিহ্যমণ্ডিত শিৱসাগৰ কলেজৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ কোটি টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলি আজিৰ এই অনুষ্ঠানতে ঘোষণা কৰাৰ লগতে কলেজ পৰিয়ালৰ সৈতে আলাপ-আলোচনাত মিলিত হৈ আগন্তুত তিনি বছৰৰ ভিতৰত শিৱসাগৰ কলেজক বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ উন্নীতকৰাৰ বাবে যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰাৰ বাবে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক নিৰ্দেশ দিয়ে।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অধ্যাপক শৰৎ মহন্ত সোঁৱৰণী মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ড° সব্যসাচী মহন্ত আৰু ৰিতামণি বৰাৰ দ্বাৰা ৰচিত এখন কাব্য গ্ৰন্থও উন্মোচন কৰে।

অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, কামাখ্যা প্ৰসাদ তাছা, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, থাওৰা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক সুশান্ত বৰগোঁহাই, পৰাগ চলিহাৰ সহধৰ্মিনী দীপালী চলিহা, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ কাৰ্যবাহী সঞ্চালক আৰ কে শৰ্মা, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰফুল্ল চন্দ্ৰ কলিতাকে ধৰি শিক্ষানুষ্ঠানখনৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**৬-১১-২০২১**